**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***----------------------***

১। ৰাজ্যত শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত। গোলাঘাটৰ বৰপথাৰত আজি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচাৰ অভিযান।

২। ৰঙালী বিহুৰ আগে-পাছে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা।

৩। লোকসভা নিৰ্বাচনৰ বাবে ১৯ এপ্ৰিল, ২৬ এপ্ৰিল আৰু ৭ মে'ত ৰাজ্য চৰকাৰৰ বন্ধ ঘোষণা।

৪। ৰাজ্যত ধুমুহাত হোৱা ক্ষয়-ক্ষতিৰ বুজ লৈ মুখ্যমন্ত্ৰীক গৃহমন্ত্ৰী অমিত শ্বাহৰ সকলো ধৰণৰ সহায়ৰ আশ্বাস।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি।

ooooo

ৰাজ্যত ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানে সম্প্ৰতি গতি লাভ কৰিছে। মুখ্যমন্ত্ৰীসহ শাসকীয় পক্ষই ৰাজ্যৰ বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলোৱাৰ সমান্তৰালকৈ বিৰোধী দলসমূহেও নিজ নিজ প্ৰাৰ্থীৰ সমৰ্থনত ভোটদাতাৰ মন আকৰ্ষণ কৰাৰ চেষ্টা চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ বৰপথাৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ প্ৰচাৰ চলাব। এই সভাত বিজেপি প্ৰাৰ্থীগৰাকীৰ লগতে সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত মাজুলীত বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে মাজুলীত প্ৰায় ১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ বিশাল চাইকেল সমদলত অংশগ্ৰহণ কৰে। এই সমদলত স্থানীয় বিজেপি নেতা-কৰ্মীৰ লগতে বহুসংখ্যক সাধাৰণ লোকে ভাগ লয়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ শৰ্মাই উপস্থিত লোকসকলক উদ্দেশ্যি কয় যে, এইবাৰৰ নিৰ্বাচনত অধিকাংশ আসনেই বিজেপিয়ে লাভ কৰিব। তেওঁ বিজেপি নেতৃত্ব চৰকাৰে বিভিন্ন কল্যাণমূলক কামৰ খতিয়ান দিয়ে। চাইকেল সমদলৰ পাছত ড০ শৰ্মাই নামনি মাজুলীত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। বিত্ত মন্ত্ৰী অজন্তা নেওগেও টীয়ক সমষ্টিৰ বিভিন্ন স্থানত তপন কুমাৰ গগৈৰ হৈ প্ৰচাৰ চলায়।

যোৰহাট সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈয়েও ব্যাপক প্ৰচাৰ চলাইছে। কালি তেওঁ শিৱসাগৰৰ বিধায়ক অখিল গগৈ আৰু দলীয় কৰ্মীসকলক লৈ শিৱসাগৰ আৰু ডিমৌত ১৪ খন সভাত অংশগ্ৰহণ কৰে। তেওঁ

শিৱসাগৰৰ ৰাজীৱ ভৱনত এখন সংবাদমেলত ৰাইজলৈ গোহাৰি শীৰ্ষক এখন পত্ৰিকাৰ লগতে বিজেপিৰ নেতৃত্বৰ চৰকাৰৰ কামকাজক সমালোচনা কৰি মহা অভিযোগনামা মুকলি কৰে।

ভাৰতীয় জনতা পাৰ্টীৰ যোৰহাট জিলা সংখ্যালঘু মৰ্চাৰ অন্তৰ্গত উত্তৰ-পূব তিতাবৰ মণ্ডলৰ কৰঙা গাঁও পঞ্চায়তৰ ৩৬ নম্বৰ বুথত আৰু চৰাইবাহী গাঁও পঞ্চায়তৰ ১০ নম্বৰ বুথত সংখ্যালঘু সকলৰ চোতাল সভা অনুষ্ঠিত হয়।

ডিব্ৰুগড় সমষ্টিৰ বিজেপি প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি খোৱাং বিধানসভা সমষ্টিৰ ধেমেচিৰ পৰা নিৰ্বাচনী প্ৰচাৰ আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। তেওঁ খোৱাং সমষ্টিত ৬খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। বিজেপিক ভোট দিবলৈ সকলো আহ্বান জনাই শ্ৰীসোণোৱালে কয় যে, ৰাইজ বিকশিত অসম, বিকশিত ভাৰতৰ লক্ষ্যৰে আগুৱাই যাব লাগিব।

ইপিনে বৰপেটা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা অগপ নেতা ফণীভূষণ চৌধুৰীয়ে কালি ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিত প্ৰচাৰ চলায়। বৰপেটাত ৭ মে'ত তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। শ্ৰীচৌধুৰীয়ে সৰভোগৰ আহোমপথাৰ, চাফা, কামাৰ আদিৰ লগতে বৰপেটা ৰোডতো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ চি পি আই এম দলৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে কালি পাকাবেটবাৰীত নিৰ্বাচনী প্ৰচাৰ চলায়।

তামুলপুৰ জিলাত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ গণ সুৰক্ষা পাৰ্টীৰ প্ৰাৰ্থী ড০ স্বৰ্ণা দেৱীয়ে এখন সংবাদমেলত মহিলা সবলীকৰণৰ বাবে তেওঁক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। তামুলপুৰত কোকৰাঝাৰৰ সাংসদ নৱ কুমাৰ শৰণীয়াই কোকৰাঝাৰৰ লগতে দৰং-ওদালগুৰি লোকসভা সমষ্টিত গণ সুৰক্ষা পাৰ্টীয়ে সাফল্য লাভ কৰিব বুলি দাবী কৰে। ইপিনে কৰিমগঞ্জত কালি কংগ্ৰেছৰ ৫০০ ৰো অধিক নেতা-কৰ্মীয়ে এ আই ইউ ডি এফত যোগদান কৰে। এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলৰ উপস্থিতিত এই যোগদান সভাত প্ৰাক্তন মন্ত্ৰী আবু ছালেহ নাজমুদ্দিনে কংগ্ৰেছ ত্যাগ কৰি এ আই ইউ ডি এফত যোগ দিয়ে। আজি কৰিমগঞ্জ লোকসভা সমষ্টিত এ আই ইউ ডি এফৰ মনোনীত প্ৰাৰ্থী ছাহাবুল ইছলাম চৌধুৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব।

ooooo

ৰঙালী বিহুৰ আগে-পাছে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। মাজুলীত কালি নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ডাঃ পেগুৱে কয় যে, মেট্ৰিকৰ ফলাফল ঘোষণা কৰাৰ বাবে শিক্ষা বিভাগ সাজু হৈ আছে। ইতিমধ্যে বিভাগটোৱে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। পূৰ্বৰ বছৰসমূহতকৈ এইবাৰ আগতীয়াকৈ ফলাফল ঘোষণা কৰা হ'ব বুলিও ডাঃ পেগুৱে কয়। সাধাৰণতে মে' মাহত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয় যদিও এইবাৰ এপ্ৰিলৰ ভিতৰতে ফলাফল ঘোষণা কৰা হ'ব। উল্লেখযোগ্য যে, যোৱা ১৬ ফেব্ৰুৱাৰীত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হৈছিল।

ooooo

লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ১৯, ২৬ এপ্ৰিল আৰু ৭ মে'ত ৰাজ্য চৰকাৰে বন্ধ ঘোষণা কৰিছে। ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগে এই সন্দৰ্ভত কালি তিনিখন পৃথক অধিসূচনা জাৰি কৰিছে। এই অধিসূচনা অনুসৰি প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাৰ সকলো চৰকাৰী-বে-চৰকাৰী কাৰ্যালয়ত, পঞ্চায়তীৰাজ প্ৰতিষ্ঠান, স্থানীয় নগৰ নিকায়,

শিক্ষানুষ্ঠান, বেংক, চাহ বাগিচা, উদ্যোগ আদিকে ধৰি ব্যৱসায়িক আৰু বাণিজ্যিক প্ৰতিষ্ঠান ১৯ এপ্ৰিলত বন্ধ থাকিব। একেদৰে দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত নিৰ্বাচন হ'বলগীয়া দৰং-ওদালগুৰি, ডিফু, নগাঁও, কৰিমগঞ্জ, শিচলৰ সংসদীয় সমষ্টিৰ অধীনৰ এলেকাৰ ক্ষেত্ৰতো একে নিয়ম প্ৰযোজ্য হ'ব। তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া কোকৰাঝাৰ, ধুবুৰী, বৰপেটা আৰু গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলত অহা ৭ মে'ত বন্ধৰ এই নিৰ্দেশনা বলৱৎ হ'ব।

ooooo

মেঘালয়ৰ মুখ্য নিৰ্বাচনী বিষয়া ডঃ বি ডি আৰ তিৱাৰীয়ে কৈছে যে, ৰাজ্যখনৰ দুখন লোকসভা আসনৰ বাবে মুঠ ২২ লাখ ২৬ হাজাৰ ৫৬৭ গৰাকী ভোটদাতাই দুগৰাকী প্ৰাৰ্থী নিৰ্বাচন কৰিব। ৰাজ্যখনৰ শ্বিলং আৰু তুৰা লোকসভা সমষ্টিৰ বাবে অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। শ্বিলঙত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিষয়াগৰাকীয়ে কয় যে, মুক্ত, নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যখনত অৰ্ধসামৰিক বাহিনীৰ ৪০টা কোম্পানী মোতায়েন কৰা হ'ব। ডঃ তিৱাৰীয়ে লগতে কয় যে, ইতিমধ্যে ৰাজ্যখনত নিৰ্বাচনী আচৰণ বিধি ভংগৰ দুটা গোচৰ ৰুজু কৰা হৈছিল আৰু এই সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মুক্ত আৰু নিকা নিৰ্বাচন নিশ্চিত কৰাৰ বাবে প্ৰতিটো লোকসভা সমষ্টিত ভিডিঅ'গ্ৰাফী আৰু ফ্লায়িং স্কোৱাডকে ধৰি মুঠ ৯টাকৈ দল নিয়োগ কৰা হৈছে। তেওঁ লগতে নিৰ্বাচন বিষয়ক তথ্যসমূহ জনসাধাৰণক অৱগত কৰোৱাৰ অৰ্থে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে। বিষয়াগৰাকীয়ে নিৰ্বাচনৰ বাবে ইলেকট্ৰনিক ভোটিং মেচিনৰ নতুন ম'ডেল ব্যৱহাৰ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

ooooo

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি জয়পুৰ ৰুৰেল লোকসভা সমষ্টিৰ অধীনৰ কটপুটলীত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লোকসভা সমষ্টিটোৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ দলীয় প্ৰাৰ্থী ৰাও ৰাজেন্দ্ৰ সিঙৰ হৈ এই সভাত অংশ ল'ব। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত এয়া হ'ল ৰাজস্থানত শ্ৰীমোদীৰ নিৰ্বাচনকেন্দ্ৰিক প্ৰথমখন সভা। ৰাজ্যখনত অহা ১৯ আৰু ২৬ এপ্ৰিলত দুটা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

আনহাতে, প্ৰধানমন্ত্ৰী মোদীয়ে আজি উত্তৰাখণ্ডৰ নাইনিটাল উধমসিং নগৰ লোকসভা সমষ্টিৰ অধীনৰ ৰুদ্ৰপুৰত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে সমষ্টিটোত দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰা ৰাজ্যমন্ত্ৰী অজয় ভাটৰ হৈ প্ৰচাৰ চলাব। সমষ্টিটোত বিজেপি প্ৰাৰ্থীগৰাকীৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰকাশ যোশীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত এয়া হ'ল ৰাজ্যখনত শ্ৰীমোদীৰ নিৰ্বাচনকেন্দ্ৰিক প্ৰথমখন সভা।

ooooo

ৰাজ্যত প্ৰচণ্ড ধুমুহা, শিল বৰষুণে সংহাৰী ৰূপ লোৱাৰ পাছত এই প্ৰাকৃতিক দুৰ্যোগ আৰু ধংবসলীলাক লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে কালি মুখ্যমন্ত্ৰী ডo হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোনযোগে পৰিস্থিতিৰ বুজ লৈ সকলো ধৰণৰ সহায়ৰ আশ্বাস দিছে। শ্ৰীশ্বাহে **মোদী কা পৰিবাৰ** নামৰ এক্স হেণ্ডেলযোগে অসম, পশ্চিমবংগ আৰু মণিপুৰত হোৱা ভয়ংকৰ ক্ষয়-ক্ষতিত উদ্বিগ্নতা প্ৰকাশ কৰি

নিহতসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। গৃহমন্ত্ৰীগৰাকীয়ে তিনিওখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে ফোনযোগে কথা পাতিছে।

ধুমুহা আৰু শিল বৰষুণৰ ফলত অসমৰ ২২ খন জিলাত বিস্তৰ ক্ষয়-ক্ষতি হৈছে। চৰকাৰী তথ্য অনুসৰি ধুমুহা, বজ্ৰপাত আৰু নাও দুৰ্ঘটনাত চাৰিগৰাকী লোকৰ মৃত্যু হয়। কাছাৰ, পূব কাৰ্বি আংলং, ওদালগুৰি আৰু দক্ষিণ শালমাৰাত এগৰাকীকৈ লোকৰ প্ৰাণহানি হোৱাৰ লগতে ৬ গৰাকী লোক আহত হৈছে। ধুমুহাত ২২ খন জিলাৰ চাৰি শতাধিক বাসগৃহ সম্পূৰ্ণৰূপে বিধবস্ত হয়।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূব ভাৰতত অহা বৃহস্পতিবাৰলৈকে ধুমুহা-বৰষুণ অব্যাহত থাকিব বুলি আগজাননী দিছে। অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা দুই তিনিদিনলৈকে ধুমুহা-বৰষুণৰ লগতে শিল বৰষুণো হ'ব পাৰে বুলি বিভাগে প্ৰকাশ কৰিছে।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি এদিনীয়া কাৰ্যসূচীৰে কৰ্ণাটকলৈ যাব। মন্ত্ৰীগৰাকীয়ে আজি পুৱা বেংগালুৰুত দলীয় কৰ্মীসকলক সাক্ষাৎ কৰিব। বিয়লি শ্ৰীশ্বাহে বাংগালোৰ ৰুৰেল লোকসভা সমষ্টিৰ অধীনৰ চান্নাপাটনাত হ'বলগীয়া এটা ৰোড শ্ব'ত অংশ ল'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যখনৰ ৫টা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীসকলক সম্বোধন কৰিব। এই পাঁচোটা সমষ্টিৰ মূল কমিটীৰ সদস্যসকলৰ বৈঠকো আজি অনুষ্ঠিত হ'ব।

ইপিনে, তেলেংগানা লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰাৰ বাবে নতুন দিল্লীত কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত দলৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ নেতা ছোনিয়া গান্ধী, তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱান্থ ৰেড্ডীকে ধৰি অন্যান্য দলীয় নেতাই অংশ লয়।

ooooo

গোলাঘাট জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি আয়ুক্ত ডাঃ পি উদয় প্ৰবীণৰ সভাপতিত্বত দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ এখন বৈঠক অনুষ্ঠিত হয়। সভাত জিলাখনত ধুমুহা, শিলাবৃষ্টিত হোৱা ক্ষয়-ক্ষতি আৰু এইক্ষেত্ৰত গ্ৰহণ কৰা সাহায্য অভিযানৰ সন্দৰ্ভত আলোচনা কৰা হয়। লগতে ধুমুহা, শিল বৰষুণত ফলত হোৱা ক্ষতিৰ বাবে এছ ডি আৰ এফৰ প্ৰস্তাৱসমূহো আলোচনা কৰা হয়। সভাত অতিৰিক্ত জিলা আয়ুক্ত দামোদৰ বৰ্মন, জিলাখনৰ ৰাজহ চক্ৰ বিষয়া, জিলা প্ৰকল্প বিষয়াকে ধৰি দুৰ্গোগ ব্যৱস্থাপনা বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

আনহাতে, ৰাজস্থান ৰয়েলছে কালি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি মুম্বায়ে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১২৫ ৰান সংগ্ৰহ কৰে। মুম্বাইৰ হৈ অধিনায়ক হাৰ্দিক পাণ্ডিয়াই ২১টা বলত ৩৪ ৰান কৰাৰ বিপৰীতে তিলক বৰ্মাই ২৯টা বলত ৩২ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থানৰ হৈ ট্ৰেণ্ট ব'ল্ট আৰু যুজবেন্দ্ৰ চাহালে ৩টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৫ অভাৰ ৩টা বলত ৪টা উইকেট হেৰুৱাই বিজয়

লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ৰিয়ান পৰাগে ৩৯টা বলত ৫৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ট্ৰেণ্ট ব'ল্টক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। এতিয়ালৈকে খেলা তিনিওখন খেলতে জয়ী হোৱাৰ সুবাদত ৰাজস্থান ৰয়েলছ সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত থকাৰ বিপৰীতে তিনিখন খেলত পৰাস্ত হোৱা মুম্বাইৰ দলটো অন্তিম স্থানত আছে।

ooooo

চুবুৰীয়া ৰাষ্ট্ৰ চীনে চতুৰ্থখন তালিকা প্ৰকাশেৰে অৰুণাচল প্ৰদেশৰ বিভিন্ন ৩০ টা স্থান সন্নিৱিষ্ট কৰি চীনা নাম দিয়াৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। সুৰা নীতি কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰ হোৱা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক দিল্লীৰ ৰউজ এভিনিউ আদালতে **১৫** এপ্ৰিল পৰ্যন্ত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আইপিএলৰ এখন মেচত ৰাজস্থান ৰয়েলছৰ হৈ অসম সন্তান ৰিয়ান পৰাগে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে ৫৪ ৰাণৰ বিস্ফোৰক ইনিংছেৰে দলক জয়ৰ সোৱাদ প্ৰদান কৰাৰ বাতৰিক **দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই এইবছৰ এপ্ৰিলৰ পৰা জুন মাহলৈকে গ্ৰীষ্মকালীন তাপমাত্ৰা সচৰাচৰ হোৱাতকৈ ২ৰ পৰা ৪ ডিগ্ৰী পৰ্যন্ত বৃদ্ধি হোৱাৰ সম্ভাৱনা ব্যক্ত কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ২০২৩ বৰ্ষত ৰাজ্যত সংঘটিত ৭,৪৩২ টা পথ দুৰ্ঘটনাত ৩,২৯৮ জন লোক নিহত হোৱাৰ লগতে ৫,৯১০ লোক আহত হোৱা বুলি পৰিবহন বিভাগ আৰু অসম আৰক্ষীয়ে তথ্য প্ৰকাশৰ বাতৰিক বাতৰিক **আমাৰ অসম** কাকতে স্থান দিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ে অভিলেখসংখ্যক ৪৭০ কোটি টকা যানবাহন ৰাজহ সংগ্ৰহেৰে নজিৰ সৃষ্টিৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি অহা **১৯** এপ্ৰিলৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰাই ৰাজ্যখনৰ প্ৰতিজন ভোটাৰে লোকসভা নিৰ্বাচনৰ বাবে ভোটাৰ তথ্য স্লিপ লাভ কৰিবলগা বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে আগবঢ়োৱা মেচ ফিক্সিং বক্তব্যৰ বিৰুদ্ধে নিৰ্বাচন আয়োগক বিজেপিয়ে অভিযোগ প্ৰদানৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

সমাপ্ত